**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং- ২২৭**

# ১৮ আগষ্টত সদ্ভাৱনা দিৱস পালনৰ সিদ্ধান্ত

**দিছপুৰ ১৭ আগষ্ট ঃ** ভাৰত চৰকাৰৰ সিদ্ধান্ত মৰ্মে অসম চৰকাৰে কাইলৈ অৰ্থাৎ ১৮ আগষ্টত সদ্ভাৱনা দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জাতি-ধৰ্ম-ভাষা-অঞ্চল নিৰ্বিশেষে দেশৰ সকলো জনসাধাৰণৰ মাজত ৰাষ্ট্ৰীয় সংহতি আৰু সাম্প্ৰদায়িক সমন্বয় অটুট ৰখাৰ লগতে সকলোৰে মাজত একতাৰ ভাৱ সম্প্ৰসাৰিত কৰাই হ'ল এই দিৱস উদ্‌যাপনৰ মূল উদ্দেশ্য। এইবছৰ ১৯ আৰু ২০ আগষ্টত চৰকাৰী বন্ধ থকা বাবে ১৮ আগষ্টত এই দিৱস পালন কৰাৰ বাবে ভাৰত চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি কাইলৈ সকলো চৰকাৰী বিভাগ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানত দেশৰ জনসাধাৰণৰ মাজত হিংসা পৰিহাৰ কৰি আন্তৰিক একতা আৰু সদ্ভাৱনা বজাই ৰাখি সকলো মতভেদ সাংবিধানিক ব্যৱস্থাৰে সমাধান কৰাৰ বাবে শপত লোৱা হ'ব।

*এমআৰডি/পিকেডি/১৭-০৮-২০২২*